# First India–Chile Joint Commission Meeting

October 16, 2020

# প্ৰথমখন ভাৰত-চিলি যুটীয়া পৰিষদ বৈঠক

অক্টোবৰ 16, 2020

1. প্ৰথমখন ভাৰত-চিলি যুটীয়া পৰিষদ বৈঠক ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত হয় 16 অক্টোবৰ 2020 তাৰিখে। এয়া যুটীয়াকৈ অনুষ্ঠিত কৰে ডঃ এছ জয়শংকৰ, ভাৰত গণৰাজ্যৰ বিদেশ বিষয়ক মন্ত্ৰী (ই এ এম) আৰু মহামান্য মিঃ এণ্ড্ৰেচ আল্লামাণ্ড জাভালাই, চিলি গণৰাজ্যৰ বিদেশ বিষয়ক মন্ত্ৰী।

2. দুয়ো পক্ষই উল্লেখ কৰে যে যুটীয়া পৰিষদখন এক গুৰুত্বপূৰ্ণ বিকাশ ভাৰত-চিলি সম্পৰ্কৰ, দুয়োখন দেশৰ বিদেশ মন্ত্ৰীৰ স্তৰৰ এয়া প্ৰথম অনুষ্ঠিত আলোচনা হিচাপে।

3. ভাৰতে চিলিৰ সিদ্ধান্তৰ আদৰণি জনাই ভাৰতক নিজৰ বিদেশ নীতিত এক অগ্ৰাধিকাৰ দেশ হিচাপে গণ্য কৰাৰ। চিলিয়ে মুম্বাইত নিজৰ সাধাৰণ দূতাবাস খুলিব।

4. দ্বিপক্ষীয় সম্পৰ্কৰ কথা উল্লেখ কৰি, দুয়ো পক্ষই ভাৰত-চিলি সম্পৰ্কৰ শেহতীয়া বিকাশ আলোচনা কৰে। দুয়ো পক্ষই নিজৰ ভিন্ন-স্তৰৰ সম্বন্ধৰ ভৱিষ্যতৰ পৰিকল্পনা আলোচনা কৰে। তেওঁলোকে মান্তি হয় দুইখন দেশৰ সম্পৰ্কক গতি দিয়াৰ বাবে বাণিজ্য আৰু অৰ্থনীতি, কৃষি, স্বাস্থ্য আৰু সামাজিক সুৰক্ষা, প্ৰতিৰক্ষা, মহাকাশ, বিজ্ঞান আৰু প্ৰযুক্তি, শক্তি, খনন, সংস্কৃতি আৰু শিক্ষা, দুৰ্যোগ ব্যৱস্থাপনা আৰু এন্টাৰটিকাৰ সৈতে সহযোগীতাৰ ক্ষেত্ৰত।

5. দুয়ো পক্ষই ভাৱ-বিনিময় কৰে পাৰস্পৰিক ৰুচিৰ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ত, বিশেষকৈ কোভিড-19 মহামাৰীৰ সন্দৰ্ভত। বিদেশ বিষয়ক মন্ত্ৰীয়ে প্ৰধান মন্ত্ৰীৰ দৰ্শনৰ কথা উল্লেখ কৰে এক আত্মনিৰ্ভৰ ভাৰতৰ স্ব-নিৰ্ভৰতা আৰু মানৱ-কেন্দ্ৰিক বিশ্বায়নৰ যোগেদি ভাৰতৰ অৰ্থনৈতিক উদ্ধাৰৰ ভিত্তি হিচাপে। তেওঁ চিলিক নিমন্ত্ৰণ দিয়ে ভাৰতৰ নতুন অৰ্থনৈতিক ক্ষমতা আৰু বাঢ়ি অহা বজাৰৰ সুবিধা ল'বলৈ।

6. বহুতো বিশ্বব্যাপী আৰু আঞ্চলিক বিষয়ত তেওঁলোকৰ দৃষ্টিভংগীৰ অভিব্যক্তিৰ ভিত্তিত, দুয়োপক্ষই বহুমূখী স্তৰত ঘনিষ্ঠ সহযোগীতাৰ বাবে মান্তি হয়।

**নতুন দিল্লী**
**অক্টোবৰ 16, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.